**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 20-02-2026

**Time :** 1715 Hrs.

***Assamese Midday Bulletin***
**HEADLINE**

ooooo

১। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ কাছাৰত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় মুকলি।

২। মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দিত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ।

৩। নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা স্ক্ৰীনিং কমিটীৰ অধ্যক্ষ প্ৰিয়ংকা গান্ধীৰ সোণাপুৰৰ জুবিন ক্ষেত্ৰ পৰিদৰ্শন। ***আৰু***

৪। কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত প্ৰসূতি তথা শিশুৰ স্বাস্থ্য সেৱাৰ শাখা মুকলি।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি কাছাৰ জিলাত ভাইব্ৰেণ্ট ভিলেজ কাৰ্যসূচীৰ দ্বিতীয় পৰ্যায় আনুষ্ঠানিকভাৱে মুকলি কৰে। এই কাৰ্যসূচীত সীমামূৰীয়া গাঁওসমূহৰ উন্নয়ন আৰু সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ বাবে বহনক্ষম কৰ্মসংস্থাপন সৃষ্টিত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ২০২৮-২৯ বিত্তীয় বৰ্ষ পৰ্যন্ত ৰূপায়ণ হ'বলগীয়া এই কাৰ্যসূচীৰ বাবে ছহেজাৰ ৮০০ কোটিৰো অধিক ধন ধাৰ্য কৰা হৈছে। এই কাৰ্যসূচীয়ে সীমান্তৱৰ্তী অঞ্চলৰ সুৰক্ষা সুনিশ্চিত কৰাৰ লগতে সীমান্তৰে হোৱা অপৰাধ নিয়ন্ত্ৰণ আৰু অভ্যন্তৰীণ সুৰক্ষা সুদৃঢ় কৰাত অৰিহণা যোগাব বুলি আশা কৰা হৈছে।

বাইট ঃ অমিত শ্বাহ

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে লগতে ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী নাটানপুৰত থকা বি এছ এফৰ সীমান্ত চকী পৰিদৰ্শন কৰে আৰু সীমান্তত কাঁইটীয়া তাঁৰৰ বেৰ নিৰ্মাণৰ অগ্ৰগতি আৰু সুৰক্ষা ব্যৱস্থাৰ পৰ্যালোচনা কৰে। ইয়াৰ পাছতে শ্ৰীশ্বাহ ত্ৰিপুৰাৰ আগৰতলালৈ ৰাওনা হয়। সন্ধিয়া তেঁও পুনৰ অসমলৈ উভতি আহিব। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মায়ো গৃহমন্ত্ৰীৰ এই কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

শ্ৰী শ্বাহে কাইলৈ গুৱাহাটীৰ সৰুসজাইত চি আৰ পি এফৰ ৮৭ সংখ্যক প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ কথা। কেন্দ্ৰীয় বাহিনীটোৱে এইবাৰ প্ৰথমবাৰৰ বাবে উত্তৰ-পূৰ্বাঞ্চলত প্ৰতিষ্ঠা দিৱসৰ ৰাষ্ট্ৰীয়

কুচ-কাৱাজৰ আয়োজন কৰিছে। তেওঁ লগতে সোণাপুৰৰ কচুতলীত দশম অসম আৰক্ষী বেটেলিয়নৰ নতুন ছাউনীৰ আধাৰশিলা স্থাপন কৰিব। গৃহমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণকালত বিজেপিৰ নিৰ্বাচনকেন্দ্ৰিক মিত্ৰতা সন্দৰ্ভত চূড়ান্ত আলোচনা হোৱাৰ সম্ভাৱনা আছে।

০০০০০

মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি কাছাৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলাৰ মুঠ ৭ হাজাৰ ২৭৩ গৰাকী উদ্যোগীৰ মাজত প্ৰথম কিস্তিৰ ধনৰাশি বিতৰণ কৰা হয়। কাছাৰ জিলাৰ ৩ হাজাৰ ৭০২গৰাকী, শ্ৰীভূমি জিলাৰ দুহেজাৰ ৩৯২গৰাকী আৰু হাইলাকান্দিৰ এহেজাৰ ১৭৯গৰাকী উদ্যমীয়ে এই আঁচনিৰ অধীনত আৰ্থিক সাহায্য লাভ কৰিছে। এই উপলক্ষে আজি শিলচৰৰ আই এছ বি টিত বিয়লি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, কৌশিক ৰায়, কৃষ্ণেন্দু পাল, সাংসদ পৰিমল শুক্লবৈদ্যকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

দুদিনীয়া কাৰ্যসূচীৰে কালি অসমলৈ অহা নিখিল ভাৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা স্ক্ৰীনিং কমিটীৰ অধ্যক্ষ প্ৰিয়ংকা গান্ধীয়ে আজি পুৱাৰ ভাগত ৰাজ্যখনৰ সোণাপুৰস্থিত জুবিন ক্ষেত্ৰ পৰিদৰ্শন কৰে। অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে শ্ৰীমতী গান্ধীক এই ভ্ৰমণত সংগ দিয়ে। জুবিন ক্ষেত্ৰত কংগ্ৰেছ নেত্ৰীগৰাকীয়ে শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰে। ইয়াৰ পাছতে তেওঁ ৰাজীৱ ভৱনলৈ আহে আৰু প্ৰদেশ কংগ্ৰেছৰ তিনিগৰাকী কাৰ্যকৰী সভাপতিৰ সৈতে বাৰ্তালাপ কৰে। পৰৱৰ্তী সময়ত শ্ৰীমতী গান্ধীয়ে অসম কংগ্ৰেছ কমিটীৰ বিভিন্ন কমিটী আৰু আৰু শাখাৰ নেতৃত্বৰ লগত মত-বিনিময় কৰে। কংগ্ৰেছ নেতৃগৰাকীয়ে অসমীয়াৰ প্ৰাণৰ শিল্পীগৰাকীৰ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত এইদৰে কয়।

বাইট

০০০০০

বি টি চি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে আজি কোকৰাঝাৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়ত প্ৰসুতি তথা শিশুৰ স্বাস্থ্য সেৱাৰ এটা শাখা মুকলি কৰে। এই পদক্ষেপে অঞ্চলটোত প্ৰসুতি আৰু শিশু স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

০০০০০

বিশিষ্ট কথাশিল্পী তথা চলচ্চিত্ৰ নিৰ্মাতা ড° ভবেন্দ্ৰনাথ শইকীয়াৰ ওপজা দিন উপলক্ষে আজি কথাশিল্পীগৰাকীৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰা হৈছে। অনুভূতি সম্পন্ন আৰু মননশীল ৰচনাৰে অনুৰাগীসকলক আলোড়িত কৰা ড° শইকীয়াই কবিতা, নাটক, গল্প, উপন্যাস, প্ৰবন্ধ, সমালোচনা, শিশু সাহিত্য আৰু আত্মজীৱনীৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰি থৈ গৈছে। প্ৰান্তিক আৰু শিশু আলোচনী সঁফুৰাৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা ভবেন্দ্ৰ নাথ শইকীয়া পৰিচালিত ৮ খন চলচ্চিত্ৰৰ আটাইকেইখনেই ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰে সন্মানিত হৈছে। নাট্য পৰিচালনাৰ ক্ষেত্ৰত যশস্যা অৰ্জন কৰা সাহিত্যিকগৰাকীয়ে আকাশবাণীৰ বাবে নাটক ৰচনাৰ লগতে ভ্ৰাম্যমানৰ বাবে ২৭ খন নাটক ৰচনা আৰু কেইবাখনো পৰিচালনা কৰি সুখ্যাতি অৰ্জন কৰি গৈছে। ১৯৭৬ চনত তেওঁ সাহিত্য একাডেমী, ১৯৯০ চনত অসম উপত্যকা সাহিত্য বঁটা লাভ কৰাৰ উপৰি পদ্মশ্ৰী সন্মানেৰেও সন্মানিত হৈছিল।

ড° ভৱেন্দ্ৰনাথ শইকীয়াৰ ওপজা দিন উপলক্ষে আৰোহণৰ উদ্যোগত আৰু অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা সঞ্চালকালয়ৰ সহযোগত আজি আৰু কাইলৈ গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ মাধৱদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত ড° ভৱেন্দ্ৰনাথ শইকীয়া সোঁৱৰণি নাট সমাৰোহ আৰু বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে সন্ধিয়া চাৰে পাঁচ বজাত আয়োজিত অনুষ্ঠানত গল্পকাৰ ড° নমিতা বৈশ্যক ২০২৫ বৰ্ষৰ বাবে ভৱেন্দ্ৰ নাথ শইকীয়া বঁটা প্ৰদান কৰা হ'ব। এই বঁটাত - ৫০ হাজাৰ টকা, প্ৰশস্তি পত্ৰ আৰু স্মাৰক আৰু কিতাপৰ টোপোলা আছে। ইয়াৰ লগতে পদ্মশ্ৰী সন্মানেৰে সন্মানিত নুৰুদ্দিন আহমেদক বিশেষভাৱে সম্বৰ্ধনা জনোৱা হ'ব। বঁটা প্ৰদানৰ পাছতে আজি সন্ধিয়া চাৰে ৬ বজাত নটসূৰ্য্য মলয়া গোস্বামীৰ পৰিচালনাৰে 'আলি দোমোজাত' শীৰ্ষক নাটখন মঞ্চস্থ কৰিব। কাইলৈ সন্ধিয়া ছিগালৰ উদ্যোগত ভবেন্দ্ৰনাথ শইকীয়াৰ ৰচনা আৰু বাহাৰুল ইছলামৰ পৰিচালনাৰে 'আকাশ' নাটখন মঞ্চস্থ কৰা হ'ব। নাটৰ পূৰ্বে আৰোহনৰ ছাত্ৰ-ছাত্ৰীসকলে গীত-মাতৰ অনুষ্ঠান পৰিৱেশন কৰিব।

ooooo

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দ্বাৰা পৰহিলৈৰ পৰা ২০২৫-২৬ বৰ্ষৰ চৰচ মেলাৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত হ'বলগীয়া এই মেলা ৮ মাৰ্চত সমাপ্ত হ'ব। গ্ৰাম্য উদ্যোগী, আত্মসহায়ক গোট আৰু থলুৱা কাৰিকৰসকলৰ নিৰ্মিত সামগ্ৰীৰে চৰচ মেলাত ৰাজ্যখনত তৃণমূল পৰ্যায়ৰ অৰ্থনীতি সবলীকৰণৰ পথসমূহ প্ৰদৰ্শন কৰা হ'ব।

ooooo

সমাগত নিৰ্বাচনত ভোটগ্ৰহণ প্ৰক্ৰিয়া স্বচ্ছ, নিৰপেক্ষ আৰু বিশ্বাসযোগ্য কৰি তোলাৰ বাবে কাইলৈৰ পৰা ই ভি এম আৰু ভিভি পেটসমূহৰ অতিৰিক্ত প্ৰথম পৰ্য্যায়ৰ পৰীক্ষণ অনুষ্ঠিত হ'ব। পুৱা ৯ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ এই পৰীক্ষণ কৰা হ'ব। ইয়াৰ দ্বাৰা যন্ত্ৰসমূহৰ কাৰ্য্য ক্ষমতা আৰু নিৰ্ভৰযোগ্যতা পৰীক্ষা কৰি নিৰ্বাচনত ব্যৱহাৰৰ বাবে সম্পূৰ্ণৰূপে সাজু কৰি তোলা হ'ব। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্য্যালয়ে নিয়োগ কৰা অভিযন্তাৰ দলে এই পৰীক্ষণ কৰিব। অতিৰিক্ত জিলা আয়ুক্ত অনসূয়া শৰ্মাৰ তত্বাৱধানত চিচি টিভি নিৰীক্ষণ আৰু লাইভ ৱেবকাষ্টিঙৰ জৰিয়তে এই পৰীক্ষণ কৰা হ'ব।

ooooo

বাক্সা জিলাৰ সদৰ মুছলপুৰৰ জিলা আয়ুক্তৰ কাৰ্য্যালয়ত আজি বান প্ৰতিৰোধ আৰু ব্যৱস্থাপনা সন্দৰ্ভত এখন পৰ্য্যালোচনা সভা অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্ত গৌতম দাসে সকলো বিভাগৰ সৈতে বানৰ সময়ত গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে আলোচনা কৰে। তেওঁ সংশ্লিষ্ট বিভাগসমূহক নিৰ্ধাৰিত সময়ত বানৰ প্ৰস্তুতিৰ পৰিকল্পনা দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ বিভাগসমূহৰ মাজত সমন্বয়, সামগ্ৰী মজুতকৰণ, দ অঞ্চলসমূহ চিনাক্ত কৰা আৰু জৰুৰীকালীন সময়ত নিয়ন্ত্ৰণ কক্ষৰ পৰা নিয়াৰিকৈ কাম-কাজ পৰিচালনাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁ লগতে পাহাৰীয়া অঞ্চল আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ কাষৰীয়া ঠাইসমূহৰ আকস্মিক বান সমস্যাৰ সমাধানৰ ওপৰত গুৰুত্ব দিয়ে। জিলা আয়ুক্তগৰাকীয়ে জল সম্পদ বিভাগক মথাউৰিসমূহ নিয়মীয়াকৈ নিৰীক্ষণ কৰি মেৰামতিৰ কাম কৰিবলৈ পৰামৰ্শ দিয়ে। তদুপৰি, স্বাস্থ্য বিভাগক প্ৰয়োজনীয় ঔষধ মজুত ৰাখিবলৈ আৰু অপৰিষ্কাৰ পানীৰ পৰা হোৱা ৰোগৰ পৰা বাচি থকাৰ বাবে সজাগতা সৃষ্টি কৰিবলৈ নিৰ্দেশ

দিয়ে। ইয়াৰ লগতে জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ বাবে ম'ক ড্ৰিল অনুষ্ঠিত কৰিবলৈও তেওঁ পৰামৰ্শ দিয়ে।

০০০০০

আই চি চি টী-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ পাল্লেকেলে ষ্টেডিয়ামত হ'বলগীয়া লীগ পৰ্যায়ৰ অন্তিমখন খেলত অষ্ট্ৰেলিয়া ওমানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। দুয়োটা দল ইতিমধ্যে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। গ্ৰুপ বিৰ পৰা জিম্বাবুৱে আৰু শ্ৰীলংকাই ছুপাৰ এইটত প্ৰৱেশ কৰিছে। ছুপাৰ এইটৰ খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। কাইলৈ কলম্বোৰ আৰ প্ৰেমাদাসা ষ্টেডিয়ামত পাকিস্তান আৰু নিউজিলেণ্ড মুখামুখি হ'ব।

ভাৰতে অহা দেওবাৰে আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত চুপাৰ এইটৰ এখন খেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। টি টুৱেণ্টি বিশ্বকাপৰ ছেমি ফাইনেল খেলসমূহ অহা ৪ আৰু ৫ মাৰ্চত অনুষ্ঠিত হ'ব। অহা ৮ মাৰ্চত চূড়ান্ত প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত